উজু গণিত-২

দ্বিতীয় শ্রেণী

গ্রহিলচ্

উজু গণিত-২

(দ্বিতীয় শ্ৰেণীৰ বাবে)

প্ৰণেতা

গ্ৰুহিলচ্ পাব্লিশ্বিং লিখক সমিতি

গ্ৰুহিলচ্ পাব্লিশ্বিং

কমলপুৰ, বৰপেটা (অসম)

UJU GANIT-II- A TEXT BOOK ON MATHEMATICS FOR CLASS-II composed by Growhills Publishing Writers Board, edited by Growhills Publishing Editorial Board and Published by Growhills Publishing.

All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted in any form or by any means: electronic, mechanical, photocopying, recording or otherwise.

This book is especially designed to meet the long-felt demand of private educational institutes of North-east India. The materials have been compiled and edited from various sources. The publisher is not aware of any copyright violations in any form which has been incurred while preparing this book. We are ready to appreciate and take immediate action to rectify and overcome such thing which has occurred unintentionally or unknowingly in any form towards anyone incase it is brought to our notice.

Any dispute is subject to Barpeta Jurisdiction.

Internet Edition: September, 2019

Price : Rs ..../-

Published by
Growhills PUBLISHING
KAMALPUR, BARPETA (ASSAM)

পাঠ্যপুথি প্ৰণয়ন আঁচনিৰ আগকথা

১

সাম্প্ৰতিক কালত আমাৰ দেশত জনসংখ্যা বৃদ্ধিৰ অনুপাতত চৰকাৰী পৃষ্ঠপোষকতাত পৰিচালিত শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধি পোৱা নাই। সেয়ে আমাৰ দেশত, বিশেষকৈ আমাৰ অসমত, ব্যক্তিগত উদ্যমত বহুতো বেচৰকাৰী শিক্ষানুষ্ঠান গঢ়ি উঠিছে। কিন্তু চৰকাৰে ব্যক্তিগত উদ্যোগত স্থাপন হোৱা শিক্ষানুষ্ঠানসমূহৰ প্ৰতি পিঠি দি আছে। এক সমীক্ষাৰ পৰা জনা গৈছে যে বৰ্তমান ক্ৰমঃবৰ্ধিত সংখ্যক ল'ৰা-ছোৱালীৰ বাবে প্ৰয়োজন হোৱা পৰ্যাপ্ত চৰকাৰী বিদ্যালয়ৰ অভাৱত আমাৰ অসমৰ মুঠ ছাত্ৰ -ছাত্ৰীৰ ৪৫ শতাংশই ব্যক্তিগত বিদ্যালয়ত নামভৰ্তি কৰিবলৈ বাধ্য হৈছে। আনহাতে বেচৰকাৰী বিদ্যালয়সমূহে বিত্তীয় আৰু উপযুক্ত আন্তঃগাঁথনিৰ অভাৱত ভুগি থকাৰ ওপৰিও সেইবোৰে যি জলন্ত সমস্যাত ভুগি আছে সেয়া হৈছে পাঠ্যপুথিৰ অভাৱ। এয়া দুখৰ বিষয় যে ব্যক্তিগত বিদ্যালয়সমূহত চৰকাৰে কোনো পাঠ্যপুথি যোগান নধৰে। সেয়ে বেচৰকাৰী বিদ্যালয়সমূহে হয় নিজাববীয়াকৈ নাইবা অন্য ৰাজ্যৰ পৰা পাঠ্যপুথি আমদানি কৰিবলগা হৈছে। কিন্তু এনে পাঠ্যক্ৰমত সংহতি আৰু উপযুক্ত মানদণ্ডৰ অভাৱ পৰিলক্ষিত হোৱাত বেচৰকাৰী শিক্ষানুষ্ঠানসমূহে দুৰ্যোগ ভুগি আছে। এই দুৰ্যোগ দূৰ কৰাৰ উদ্দেশ্য লৈ গ্ৰহিলচ্ পাব্লিশ্বিং (প্ৰকাশন উদ্যোগ)ৰ তৰফৰ পৰা বেচৰকাৰী শিক্ষানুষ্ঠানসমূহৰ বাবে পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশৰ বাবে এক দুঃসাহসিক অভিযান আৰম্ভ কৰা হৈছে।

আমাৰ লক্ষ্য হৈছে চৰকাৰী সহায়-সহযোগিতা আৰু পৃষ্ঠপোষকতা নোপোৱা বেচৰকাৰী বিদ্যালয়সমূহৰ বাবে এক সুসংহত, সুপৰিকল্পিত পাঠ্যপুথি প্ৰণয়ন কৰা, প্ৰকাশ কৰা আৰু সুলভ মূল্যত যোগান ধৰা।

আমাৰ আঁচনিৰ সফল ৰূপায়ন কৰাৰ বাবে বহুকেইজন অভিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰী, অধ্যাপক-অধ্যাপিকাক লৈ আমি 'গ্ৰহিলচ্ পাব্লিশ্বিং পাঠ্যপুথি গৱেষক সমিতি', 'গ্ৰহিলচ্ পাব্লিশ্বিং লিখক সমিতি' আৰু 'গ্ৰহিলচ্ পাব্লিশ্বিং সম্পাদনা সমিতি' নামৰ তিনিখন সমিতি গঠন কৰিছোঁ। ইয়াৰ লগতে আমি সময়ে সময়ে বিশিষ্ট শিক্ষাবিদ,গৱেষক আৰু চিন্তাবিদসকলৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰি আছোঁ।

আমাৰ আঁচনিৰ পাঠ্যপুথি প্ৰণয়ন কৰোঁতে আমি ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদে যুগুতোৱা ৰূপৰেখাৰ আধাৰত প্ৰবৰ্তন কৰা পাঠ্যপুথিসমূহক আৰ্হি হিচাপে লৈছোঁ যদিও আমি আমাৰ গৱেষক সমিতিয়ে নিজাববীয়াকৈ যুগুতোৱা আৰ্হিও অনুকৰণ কৰিছোঁ।

পাঠ্যপুথি প্ৰস্তুতকৰণৰ সময়ত ৰাজ্যৰ স্থানীয় বৈশিষ্ট্য, পৰিৱেশ, পৰম্পৰা, আৰ্থ-সামাজিক ভেটি আদিৰ প্ৰতি দৃষ্টি ৰখা হৈছে। লগতে যুগসাপেক্ষ তথা পৰিৱৰ্তিত পৰিস্থিতিৰ কথাও মনত ৰখা হৈছে। ভাষা, শব্দ চয়ন আৰু বানানৰ ক্ষেত্ৰত আমি 'হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ' আৰু 'চন্দ্ৰকান্ত অভিধান' অনুকৰণ কৰিছোঁ।

২

উজু গণিত-২ কিতাপখন দ্বিতীয়শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰণয়ন কৰা হৈছে। গণিত হৈছে আমাৰ দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা অতি জৰুৰী বিষয়। সেয়ে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ নিৰ্দ্দেশ আৰু পৰামৰ্শ মতে স্কুলীয়া শিক্ষাৰ প্ৰথম শ্ৰেণীৰ পৰাই গণিত বিষয়টো পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে। আমাৰ পাঠ্যপুথি প্ৰণয়ন আঁচনিৰ মূল নীতি অনুসৰি আমাৰ দ্বাৰা প্ৰণয়ন কৰা সকলো পাঠ্যপুথিত অবাঞ্চিত বাহুল্যতা এৰাই চলা হৈছে যদিও ল'ৰা-ছোৱালীক অতি সহজে বিষয়-বস্তুৰ জ্ঞান দিবলৈ যথেষ্ট উদাহৰণ আৰু আৰ্হিৰ অৱতাৰণা কৰা হৈছে। প্ৰাথমিক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলৰ ভাষাজ্ঞান কম থাকে সেয়ে গণিত বিষয়টো শিকাওতে পাঠত অন্তৰ্ভুক্ত বিষয়, অনুশীলনী, শ্ৰেণী-কৰ্ম আদি শিক্ষকে ছাত্ৰ-ছাত্ৰীক বুজাই দিব লগতে শিক্ষক-শিক্ষয়িত্ৰীয়েও নিজৰ ফালৰ পৰা স্থানীয় পৰিৱেশ আৰু সংস্কৃতিৰ লগত সংগতি ৰাখি যথেষ্ট উদাহৰণ দাঙি ধৰি গণিত বিষয়টো আমোদজনক কৰি তুলিব।

আমাৰ আঁচনিত বহুতো পণ্ডিত আৰু গণ্যমান্য সমল ব্যক্তিৰ লগতে কেইবাটাও বেচৰকাৰী সংগঠন (N. G. O.) য়ে পৃষ্ঠপোষকতা, সহযোগিতা আৰু উৎসাহ-উদ্দীপনা আগবঢ়াইছে। তেখেতসকললৈ আমি আমাৰ হিয়াৰ অভ্যন্তৰৰ পৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ।

চেপ্তেম্বৰ, ২০১৬

প্ৰকাশক
গ্ৰহিলচ্ পাব্লিশ্বিং

সূচীপত্ৰ

গোট - ১

অধ্যায় - ১ আখৰেৰে সংখ্যাজ্ঞান / ৫

অধ্যায় - ২ সৰল যোগ / ১১

অধ্যায় - ৩ সৰল বিয়োগ / ১৫

গোট - ২

অধ্যায় - ৪ দীৰ্ঘ যোগ /১৯

অধ্যায় - ৫ দুটা অংকৰে গঠিত সংখ্যাৰ যোগ /২২

অধ্যায় - ৬ ধাৰ বিয়োগ / ২৪

গোট - ৩

অধ্যায় - ৭ পূৰণৰ ধাৰণা / ২৭

অধ্যায় - ৮ পূৰণৰ সৰু নেওতা /৩১

অধ্যায় - ৯ হৰণৰ ধাৰণা / ৩৫

গোট - ৪

অধ্যায়- ১০ ভাগ বা অংশৰ ধাৰণা -১ / ৩৯

অধ্যায়- ১১ জ্যামিতিক আকৃতিৰ ধাৰণা/ ৪২

অধ্যায়- ১২ টকা আৰু পইচাৰ হিচাপ / ৪৫

গোট-১

অধ্যায়- ১

আখৰেৰে সংখ্যাজ্ঞান

প্ৰথম শ্ৰেণীত তোমালোকে ১ ৰ পৰা ১০০ লৈকে অসমীয়া সংখ্যাবোৰ শিকি আহিছা। এতিয়া তলত দেখুওৱা ধৰণে ১ ৰ পৰা ১০০ লৈকে সংখ্যাবোৰ আখৰেৰে লিখিবলৈ শিকা।

১ (এক)

২ (দুই)

৩ (তিনি)

৪ (চাৰি)

৫ (পাঁচ)

৬ (ছয়)

৭ (সাত)

৮ (আঠ)

৯ (ন)

১০(দহ)

১১	(এঘাৰ)	= এক দহ এক এঘাৰ।
১২	(বাৰ)	= এক দহ দুই বাৰ।
১৩	(তেৰ)	= এক দহ তিনি তেৰ।
১৪	(চৈধ্য)	= এক দহ চাৰি চৈধ্য।
১৫	(পোন্ধৰ)	= এক দহ পাঁচ পোন্ধৰ।
১৬	(যোল)	= এক দহ ছয় যোল।
১৭	(সোতৰ)	= এক দহ সাত সোতৰ।
১৮	(ওঠৰ)	= এক দহ আঠ ওঠৰ।
১৯	(ঊনৈশ)	= এক দহ ন ঊনৈশ।
২০	বিশ)	= দুই দহ বিশ (একুৰি)।
২১	(একৈশ)	= দুই দহ এক একৈশ।
২২	(বাইশ)	= দুই দহ দুই বাইশ।
২৩	(তেইশ)	= দুই দহ তিনি তেইশ।
২৪	(চৌব্বিশ)	= দুই দহ চাৰি চৌব্বিশ।
২৫	(পঁচিশ)	= দুই দহ পাঁচ পঁচিশ।
২৬	(ছাব্বিশ)	= দুই দহ ছয় ছাব্বিশ।
২৭	(সাতাইশ)	= দুই দহ সাত সাতাইশ।
২৮	(আঠাইশ)	= দুই দহ আঠ আঠাইশ।
২৯	(ঊনত্রিশ)	= দুই দহ ন ঊনত্রিশ।
৩০	(ত্রিশ)	= তিন দহ ত্রিশ।
৩১	(একত্রিশ)	= তিনি দহ একএকত্রিশ।
৩২	(বত্রিশ)	= তিনি দহ দুই বত্রিশ।
৩৩	(তেত্রিশ)	= তিনি দহ তিনি তেত্রিশ।
৩৪	(চৌত্রিশ)	= তিনি দহ চাৰি চৌত্রিশ।
৩৫	(পঁয়ত্রিশ)	= তিনি দহ পাঁচ পঁয়ত্রিশ।
৩৬	(ছয়ত্রিশ)	= তিনি দহ ছয় ছয়ত্রিশ।
৩৭	(সাতত্রিশ)	= তিনি দহ সাত সাতত্রিশ।
৩৮	(আঠত্রিশ)	= তিনি দহ আঠ আঠত্রিশ।
৩৯	(ঊনচল্লিশ)	= তিনি দহ ন ঊনচল্লিশ।
৪০	(চল্লিশ)	= চাৰি দহ চল্লিশ।

৪১	(একচল্লিশ)	= চাৰি দহ এক একচল্লিশ।
৪২	(বিয়াল্লিশ)	= চাৰি দহ দুই বিয়াল্লিশ।
৪৩	(তিয়াল্লিশ)	= চাৰি দহ তিনি তিয়াল্লিশ।
৪৪	(চৌৰাল্লিশ)	= চাৰি দহ চাৰি চৌৰাল্লিশ।
৪৫	(পঞ্চল্লিশ)	= চাৰি দহ পাঁচ পঞ্চল্লিশ।
৪৬	(ছয়চল্লিশ)	= চাৰি দহ ছয় ছয়চল্লিশ।
৪৭	(সাতচল্লিশ)	= চাৰি দহ সাত সাতচল্লিশ।
৪৮	(আঠচল্লিশ)	= চাৰি দহ আঠ আঠচল্লিশ।
৪৯	(ঊনপঞ্চাশ)	= চাৰি দহ ন ঊনপঞ্চাশ।
৫০	(পঞ্চাশ)	= পাঁচ দহ পঞ্চাশ।
৫১	(একাৱন)	= পাঁচ দহ এক একাৱন।
৫২	(বাৱন)	= পাঁচ দহ দুই বাৱন।
৫৩	(তেৰন)	= পাঁচ দহ তিনি তেৰন।
৫৪	(চৌৰন)	= পাঁচ দহ চাৰি চৌৰন।
৫৫	(পঁচপন)	= পাঁচ দহ পাঁচ পঁচপন।
৫৬	(ছাপাৱন)	= পাঁচ দহ ছয় ছাপাৱন।
৫৭	(সাতাৱন)	= পাঁচ দহ সাত সাতাৱন।
৫৮	(আঠাৱন)	= পাঁচ দহ আঠ আঠাৱন।
৫৯	(ঊনষাঠি)	= পাঁচ দহ ন ঊনষাঠি।
৬০	(ষাঠি)	= ছয় দহ ষাঠি।
৬১	(এষষ্ঠি)	= ছয় দহ এক এষষ্ঠি।
৬২	(বাষষ্ঠি)	= ছয় দহ দুই বাষষ্ঠি।
৬৩	(তেষষ্ঠি)	= ছয় দহ তিনি তেষষ্ঠি।
৬৪	(চৌষষ্ঠি)	= ছয় দহ চাৰি চৌষষ্ঠি।
৬৫	(পয়ষষ্ঠি)	= ছয় দহ পাঁচ পয়ষষ্ঠি।
৬৬	(ছয়ষষ্ঠি)	= ছয় দহ ছয় ছয়ষষ্ঠি।
৬৭	(সাতষষ্ঠি)	= ছয় দহ সাত সাতষষ্ঠি।
৬৮	(আঠষষ্ঠি)	= ছয় দহ আঠ আঠষষ্ঠি।
৬৯	(ঊনসত্তৰ)	= ছয় দহ ন ঊনসত্তৰ।
৭০	(সত্তৰ)	= সাত দহ সত্তৰ।

৭১	(একসত্তৰ)	= সাত দহ এক একসত্তৰ।
৭২	(বাসত্তৰ)	= সাত দহ দুই বাসত্তৰ।
৭৩	(তেসত্তৰ)	= সাত দহ তিনি তেসত্তৰ।
৭৪	(চৌসত্তৰ)	= সাত দহ চাৰি চৌসত্তৰ।
৭৫	(পঁয়সত্তৰ)	= সাত দহ পাঁচ পঁয়সত্তৰ।
৭৬	(ছয়সত্তৰ)	= সাত দহ ছয় ছয়সত্তৰ।
৭৭	(সাতসত্তৰ)	= সাত দহ সাত সাতসত্তৰ।
৭৮	(আঠসত্তৰ)	= সাত দহ আঠ আঠসত্তৰ।
৭৯	(ঊনাশী)	= সাত দহ ন ঊনাশী।
৮০	(আশী)	= আঠ দহ আশী।
৮১	(একাশী)	= আঠ দহ এক একাশী।
৮২	(বিৰাশী)	= আঠ দহ দুই বিৰাশী।
৮৩	(তিৰাশী)	= আঠ দহ তিনি তিৰাশী।
৮৪	(চৌৰাশী)	= আঠ দহ চাৰি চৌৰাশী।
৮৫	(পঁচাশী)	= আঠ দহ পাঁচ পঁচাশী।
৮৬	(ছিয়াশী)	= আঠ দহ ছয় ছিয়াশী।
৮৭	(সাতাশী)	= আঠ দহ সাত সাতাশী।
৮৮	(আঠআশী)	= আঠ দহ আঠ আঠআশী।
৮৯	(ঊননৈৰ্ব্ব)	= আঠ দহ ন ঊননৈৰ্ব্ব।
৯০	(নৈৰ্ব্ব)	= ন দহ নৈৰ্ব্ব।
৯১	(একানৈৰ্ব্ব)	= ন দহ এক একানৈৰ্ব্ব।
৯২	(বিৰানৈৰ্ব্ব)	= ন দহ দুই বিৰানৈৰ্ব্ব।
৯৩	(তিৰানৈৰ্ব্ব)	= ন দহ তিনি তিৰানৈৰ্ব্ব।
৯৪	(চৌৰানৈৰ্ব্ব)	= ন দহ চাৰি চৌৰানৈৰ্ব্ব।
৯৫	(পঁচানৈৰ্ব্ব)	= ন দহ পাঁচ পঁচানৈৰ্ব্ব।
৯৬	(ছিয়ানৈৰ্ব্ব)	= ন দহ ছয় ছিয়ানৈৰ্ব্ব।
৯৭	(সাতানৈৰ্ব্ব)	= ন দহ সাত সাতানৈৰ্ব্ব।
৯৮	(আঠানৈৰ্ব্ব)	= ন দহ আঠ আঠানৈৰ্ব্ব।
৯৯	(নিৰানৈৰ্ব্ব)	= ন দহ ন নিৰানৈৰ্ব্ব।
১০০	(একশ)	= দহ দহ একশ।

অনুশীলনী

১। তলত দিয়া সংখ্যাবোৰ আখৰেৰে লিখা।

১, ৭, ৯, ১০, ১৩, ২১, ২৩, ২৭, ২৯, ৩০, ৩১, ৩৫, ৩৭, ৩৯, ৪১, ৪৩, ৪৬, ৪৮, ৫১, ৫২, ৫৩, ৫৫, ৫৮, ৫৯, ৬১, ৫৩, ৬৫, ৬৭, ৬৮, ৬৯, ৭১, ৭৩, ৭৭, ৭৮, ৮১, ৮৪, ৮৭, ৮৯, ৯১, ৯২, ৯৩, ৯৪, ৯৫, ৯৬, ৯৭, ৯৯, ১০০

২। অংকেৰে লিখা।

এক, দুই, তিনি, চাৰি, পাঁচ, ছয়, সাত, আঠ, ন, দহ, এঘাৰ, তেৰ, পোন্ধৰ, সোতৰ, ঊনৈশ, একৈশ, সাতাইশ, একত্ৰিশ, চৌত্ৰিশ, সাতত্ৰিশ, ঊনচল্লিশ, একাৱন, তেৱন, সাতাৱন, ঊনষাঠি, তেষষ্ঠি, পয়ষষ্ঠি, ঊনসত্তৰ, সত্তৰ, চৌসত্তৰ, ছয়সত্তৰ, আঠসত্তৰ, চৌৰাশী, পঁচাশী, ঊননৈব্বে, পঁচানব্বৈ, সাতানব্বৈ, একশ।

৩। তলত দিয়া সংখ্যাবোৰত কিমান দহক আৰু কিমান একক আছে লিখা। এটি তোমাৰ বাবে কৰি দিয়া হৈছে।

১১ এক দহক আৰু এক একক।

১৩, ২১, ২৩, ২৭, ২৯, ৩০, ৩১, ৩৫, ৩৭, ৩৯, ৪১, ৪৩, ৪৬, ৪৮, ৫১, ৫২, ৫৩, ৫৫, ৫৮, ৫৯, ৬১, ৫৩, ৬৫, ৬৭, ৬৮, ৬৯, ৭১, ৭৩, ৭৭, ৭৮, ৮১, ৮৪, ৮৭, ৮৯, ৯১, ৯২, ৯৩, ৯৪, ৯৫, ৯৬, ৯৭, ৯৯, ১০০

৪। তলত দিয়া সংখ্যাবোৰ স্থান মান অনুসৰি বহুওৱা। এটি তোমাৰ বাবে কৰি দিয়া হৈছে।

১১

দহক	একক
১	১

১৩, ২১, ২৩, ৩১, ৩৫, ৩৯, ৪১, ৪৩, ৫২, ৫৩, ৫৫, ৫৮, ৫৯, ৬১, ৬৭, ৬৮, ৬৯, ৭৩, ৮৯, ৯১, ৯৫, ৯৬, ৯৭, ৯৯, ১০০

৫। পিছৰ সংখ্যাবোৰ বহুৱাই খালী ঠাই পূৰণ কৰা।

১৩		১৫		১৭	
২১		২৬		২৯	
৩১		৩৭		৩৯	
৪০		৪৫		৪৮	
৫১		৫৩		৫৯	
৬১		৬৬		৬৭	

৬। প্ৰতিটো সংখ্যাৰ আগে পিছে কি সংখ্যা হ'ব লিখা।

	৩১			৪১			৫১	
	৬৩			৬৭			৭১	
	৭৩			৭৬			৭৯	
	৮৩			৮৫			৮৯	
	৯২			৯৪			৯৯	

অধ্যায়- ২
সৰল যোগ

তোমালোকে প্ৰথম শ্ৰেণীত শিকি আহিছা যে যোগ মানে একেলগ কৰা। যোগ বুজাবলৈ গণিতত '+' চিন ব্যৱহাৰ কৰা হয়। যোগ অংক কৰোঁতে তলত লিখা সংখ্যাটোৰ বাওঁপিনে যোগ চিন (+) বহুওৱা হয়। যেনে ঃ

৩	২	১
+ ১	+ ৩	+ ১
৪	৫	২

প্ৰথম শ্ৰেণীত একশাৰীত যোগ আৰু এক অংকৰ যোগৰ ধাৰণা পাই আহিছা। এই অধ্যায়ত দুটা অংকৰে গঠিত হোৱা সংখ্যাৰ যোগ শিকিবা। তলৰ উদাহৰণকেইটি লক্ষ্য কৰা।

১১	১২	১২
+ ১	+ ২	+ ৪
১২	১৪	১৬

দুটা অংকৰে গঠিত হোৱা সংখ্যাত সোঁফালৰ পৰা বাওঁফালে ক্ৰমে একক আৰু দহকৰ স্থানত অংকবোৰ থাকে। এটা সংখ্যাৰ লগত যোগ কৰিবলগীয়া আন সংখ্যাটি তলত বহে। যোগ কৰোঁতে আমি প্ৰথমে এককৰ ঘৰত বহা অংকবোৰ যোগ কৰি তলত বহুৱাই দ্বিতীয়তে দহকৰ ঘৰৰ অংকবোৰ যোগ কৰিব লাগে। যেনে ঃ

১১ + ১১ ২২	১১ + ১২ ২৩	১৩ + ১২ ২৫

যোগ কৰোঁতে ডাঙৰ সংখ্যা ওপৰত থাকিব লাগে বুলি কোনো ধৰা-বন্ধা নিয়ম নাই। সৰু সংখ্যাও ওপৰত আৰু ডাঙৰ সংখ্যা তলত বহুৱাইয়ো যোগ কৰিব পাৰি। উদাহৰণ ঃ

১১ + ১২ ২৩	১২ + ১৪ ২৬	১৪ + ১৫ ২৯

যোগ কৰিবলগীয়া সংখ্যাবোৰ তলে তলে বহুৱাই যোগ কৰা হয় যদিও আমি একেশাৰীতো যোগ কৰিব পাৰোঁ। উদাহৰণ ঃ

১১ + ১ = ১২   ১২ + ৩ = ১৫

১৫ + ২ = ১৭   ১৪ + ৪ = ১৮

মনত ৰখা যে যোগ কৰিবলগীয়া সংখ্যাবোৰৰ আগৰ সংখ্যাটো পিছত আৰু পিছৰ সংখ্যাটো আগত বহুৱালেও যোগফলৰ কোনো পৰিৱৰ্তন নহয়। উদাৰহণ ঃ

১১ + ১ = ১২   ১ + ১১ = ১২

১৪ + ৪ = ১৮   ৪ + ১৪ = ১৮

১৫ + ৪ = ১৯   ৪ +১৫ = ১৯

অনুশীলনী

১। যোগ কৰা।

(ক) ১০ + ৩

(খ) ১১ + ২

(গ) ১৩ + ৪

(ঘ) ১৩ + ২

(ঙ) ১৪ + ৩

(চ) ১৫ + ৫

(ছ) ১৬ + ৩

(জ) ১৭ + ১

(ঝ) ১৮ + ১

২। যোগ কৰা।

(ক) ১০ + ১৩

(খ) ১১ + ১২

(গ) ১৩ + ১৪

(ঘ) ১৩ + ২২

(ঙ) ১৪ + ১৫

(চ) ১৫ + ২৪

(ছ) ১১
+ ১১

(জ) ১২
+ ২২

(ঝ) ১৪
+ ৩৪

(ঞ) ১৫
+ ৩৪

(ট) ১৬
+ ৪৩

(ঠ) ১৭
+ ৫৩

২। একেশাৰীত যোগ কৰি খালী ঘৰত যোগফল বহুওৱা।

(ক) ১১ + ৪ = ☐ (খ) ১২ + ৪ = ☐

(গ) ১২ + ০ = ☐ (ঘ) ১৪ + ৫ = ☐

(ঙ) ১১ + ১৪ = ☐ (চ) ১২ + ১৫ = ☐

(ছ) ১৩ + ১৩ = ☐ (জ) ১৪ + ১৩ = ☐

(ঝ) ১৫ + ১৪ = ☐ (ঞ) ১৭ + ১২ = ☐

শিক্ষকলৈ টোকা ঃ শিক্ষকে অধ্যায়টো বুজাওঁতে কেনেদেৰে নিজৰ আঙুলিত গণনা কৰি বা আঁচ টানি সেইবোৰ হিচাপ কৰি যোগ অংক কৰিব পাৰি তাক বুজাই দিব। লগতে একেশাৰীত যোগ কৰাৰ বিষয়েও নিজে যথেষ্ট উদাহৰণ দাঙি ধৰি বুজাই দিব।

অধ্যায়-৩
সৰল বিয়োগ

কোনো বস্তুৰ পৰা কিছু বাদ দিয়া বা আঁতৰ কৰাক বিয়োগ কৰা বুলি কোৱা হয়। বিয়োগ বুজাবলৈ গণিতত '—' চিন ব্যৱহাৰ কৰা হয়। প্ৰথম শ্ৰেণীত বিয়োগৰ বিষয়ে সাধাৰণ ধাৰণা পাই আহিছা। এই অধ্যায়ত দুটা অংকৰে গঠিত সংখ্যাৰ বিয়োগৰ বিষয়ে শিকিবা। দুটা অংকৰে গঠিত হোৱা সংখ্যাত সোঁফালৰ পৰা বাওঁফালে ক্ৰমে একক আৰু দহকৰ স্থানত অংকবোৰ থাকে। এটা সংখ্যাৰ পৰা বিয়োগ কৰিবলগীয়া আন সংখ্যাটি তলত বহে। সাধাৰণতে আমি ডাঙৰ সংখ্যাটোৰ পৰাহে সৰু সংখ্যাটো বিয়োগ কৰোঁ। সেয়ে ডাঙৰ সংখ্যাটো ওপৰত আৰু সৰু সংখ্যাটো তলত বহুওৱা হয়। তলৰ উদাহৰণবোৰ লক্ষ্য কৰা ঃ

১৪	১২	১৫	১৬
— ৩	— ২	— ৪	— ২
১১	১০	১১	১৪

১৬	১৮	১৮	১৯
— ৬	— ৩	— ২	— ৫
১০	১৫	১৬	১৪

আমি একেশাৰীতো বিয়োগ অংক কৰিব পাৰি। উদাহৰণ ঃ

৩ – ১ = ২　　৪ – ২ = ২　　৫ – ২ = ৩

১১ – ১ = ১০　　১২ – ৩ = ৯　　১৫ – ৪ = ১১

১৬ – ৫ = ১১　　১৭ – ৪ = ১৩　　১৭ – ২ = ১৫

১৮ – ৪ = ১৪　　১৮ – ৬ = ১২　　১৯ – ২ = ১৭

অনুশীলনী

১। বিয়োগ কৰা।

(ক) ১৩ – ৩

(খ) ১৩ – ২

(গ) ১৪ – ২

(ঘ) ১২ – ১

(ঙ) ১৪ – ৩

(চ) ১৬ – ২

(ছ) ১৭ – ৫

(জ) ১৯ – ৪

(ঝ) ১৮ – ৭

১। একে শাৰীত বিয়োগ কৰা।

(ক) ১২ – ২ = ...   (খ) ১৪ – ৩ = ...

(গ) ১৩ – ১ = ...   (ঘ) ১৫ – ১ = ...

(ঙ) ১২ – ২ = ...   (চ) ১০ – ২ = ...

(ছ) ১৪ – ৩ = ...   (জ) ১৮ – ৩ = ...

(ক) ১০ – ১ = ...   (খ) ১৩ – ৩ = ...

(গ) ১৩ – ২ = ...   (ঘ) ১৫ – ৫ = ...

(ঙ) ১২ – ১২ = ...   (চ) ১৬ – ২ = ...

(ছ) ১৪ – ৩ = ...   (জ) ১৮ – ৪ = ...

১। মুখে মুখে গণনা কৰি কোৱাঃ

(ক) ১২ ৰ পৰা কিমান বিয়োগ কৰিলে বিয়োগফল ১০ হ'ব?

(খ) ৯ ৰ পৰা কিমান বিয়োগ কৰিলে বিয়োগফল ৭ হ'ব?

(গ) ১০ ৰ পৰা কিমান বিয়োগ কৰিলে বিয়োগফল ৫ হ'ব?

(ঘ) ১৭ ৰ পৰা কিমান বিয়োগ কৰিলে বিয়োগফল ১১ হ'ব?

(ঙ) ৩ ৰ পৰা কিমান বিয়োগ কৰিলে বিয়োগফল ১ হ'ব?

(চ) ১৬ ৰ পৰা কিমান বিয়োগ কৰিলে বিয়োগফল ৬ হ'ব?

(ছ) ১৯ ৰ পৰা কিমান বিয়োগ কৰিলে বিয়োগফল ১৭ হ'ব?

মূল্যায়ন-১

প্ৰথম গোট শেষ হোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষণ কাৰ্যাৱলীৰ অগ্ৰগতি সম্পৰ্কে বুজ ল'বলৈ গোট পৰীক্ষা অনুষ্ঠিত কৰা উচিত। কিন্তু প্ৰতিটো গোট পৰীক্ষা অনুষ্ঠিত কৰাৰ আগতে কমেও দুবাৰ পুনৰালোচনা কৰা অতি জৰুৰী। প্ৰত্যেক শিক্ষাবৰ্ষত সাধাৰণতে চাৰিটা গোট পৰীক্ষা অনুষ্ঠিত কৰা হয়। প্ৰতিটো গোট পৰীক্ষা প্ৰতি দুমাহৰ অন্তত অৰ্থাৎ প্ৰতি তৃতীয় মাহত অনুষ্ঠিত কৰা উচিত। গোট পৰীক্ষা বিষয় শিক্ষকৰ দ্বাৰা নিজাববীয়াকৈ অথবা বিদ্যালয়ৰ অন্যান্য শ্ৰেণীৰ লগত একেলগেও অনুষ্ঠিত হ'ব পাৰে।

গণিত বিষয়ৰ এক আৰ্হি প্ৰশ্ন কাকত তলত দেখুওৱা হ'লঃ

প্ৰথম গোট পৰীক্ষা
দ্বিতীয় শ্ৰেণী
বিষয় ঃ গণিত

মুঠ নম্বৰঃ ২৫ **সময়ঃ ১ ঘন্টা**

১। তলত দিয়া সংখ্যাবোৰ আখৰেৰে লিখা। ১×৫=৫

৭, ৩০, ৫২, ৭৭, ৯৫

২। তলত দিয়া প্ৰতিটো সংখ্যাৰ আগে পিছে কি সংখ্যা হ'ব লিখা। ১×৫=৫

☐ ৩১ ☐ ☐ ৪১ ☐ ☐ ৫১ ☐

☐ ৬৩ ☐ ☐ ৬৭ ☐

৩। যোগ কৰা। ২×৩=৬

(ক) ১০ + ১৩   (খ) ১১ + ১২   (গ) ১৩ + ১৪

৪। একেশাৰীত যোগ কৰা। ১×৩=৩

(ক) ১১ + ৪ = ... (খ) ১৪ + ২ =..... (গ) ১৫ + ৩ = ...

৫। একেশাৰীত বিয়োগ কৰা। ১×৩=৩

(ক) ৩ – ১ = ... (খ) ৪ – ২ = ... (গ) ৫ – ২ = ...

৬। বিয়োগ কৰা। ১×৩=৩

(ক) ১৭ – ৫   (খ) ১৯ – ৪   (গ) ১৮ – ৭

শিক্ষকলৈ টোকা ঃ ওপৰত দিয়া প্ৰশ্ন কাকতখন চৰম নহয়। ইয়াক অকল এক আৰ্হি হিচাপেহে দেখুওৱা হৈছে। শিক্ষকে নিজৰ মতে প্ৰশ্ন কাকত প্ৰস্তুত কৰিব। গোট পৰীক্ষা অনুষ্ঠিত কৰাৰ আগতে উক্ত প্ৰশ্ন কাকতখন ছাত্ৰ-ছাত্ৰীসকলক সমাধান কৰিবলৈ দিব পাৰে।

গোট-২

অধ্যায়- ৪

দীৰ্ঘ যোগ

অধ্যায়-২ ত তোমালোকে দুটা সংখ্যাৰ বা দুই শাৰীযুক্ত সংখ্যাৰ যোগৰ বিষয়ে শিকি আহিছা। কেতিয়াবা কেতিয়াবা আমি দুটা সংখ্যাতকৈ অধিক সংখ্যাও যোগ কৰিব লগা হয়। উদাহৰণ ঃ

$$\begin{array}{r} ৩ \\ ২ \\ +\ ১ \\ \hline ৬ \end{array} \qquad \begin{array}{r} ৪ \\ ৩ \\ +\ ২ \\ \hline ৯ \end{array} \qquad \begin{array}{r} ৫ \\ ৪ \\ +\ ৩ \\ \hline ১২ \end{array}$$

দুটাতকৈ অধিক শাৰীযুক্ত যোগ অংকক দীৰ্ঘ যোগ বুলি কোৱা হয়। দীৰ্ঘ যোগ আমি একে শাৰীতো কৰিব পাৰি। উদাহৰণ ঃ

২ + ৩ + ৫ = ১০   ৩ + ৪ + ৬ = ১৩

দীৰ্ঘ যোগ কৰোঁতে আমি দুটা দুটাকৈ সংখ্যা লগলগাই যোগ কৰিব পাৰি। এনে কৰিলে আমি যি সংখ্যা দুটাক প্ৰথমে যোগ কৰোঁ সেই দুটা বন্ধনীৰ ভিতৰত ৰাখিব লাগে আৰু তেনে যোগ আমি একে শাৰীত নকৰি দুটা বা অধিক শাৰীত পাতি কৰিব পাৰোঁ।

উদাহৰণ ঃ

(ক) ৩ + ৪ + ৬

= (৩ + ৪) + ৬

= ৭ + ৬

= ১৩

(খ) ২ + ৫ + ৭ + ৩
= (২ + ৫) + (৭ + ৩)
= ৭ + ১০
= ১৭

অনুশীলনী

১। যোগ কৰা।

(ক)
```
  ৩
  ২
+ ১
----
```

(খ)
```
  ৪
  ৫
+ ৩
----
```

(গ)
```
  ৫
  ৬
+ ১
----
```

(ঘ)
```
  ২
  ৩
  ৫
+ ৩
----
```

(ঙ)
```
  ৭
  ৬
  ১
+ ০
----
```

(চ)
```
  ৪
  ৬
  ৯
+ ২
----
```

(ছ)
```
  ৮
  ৭
  ৭
  ২
+ ১
----
```

(জ)
```
  ৪
  ৫
  ৩
  ২
+ ৩
----
```

(ঝ)
```
  ৫
  ৬
  ১
  ০
+ ১
----
```

(ঞ)	(ট)	(ঠ)
১	৫	৬
০	৩	৪
৩	০	৭
৫	৭	০
+ ১	+ ১	+ ৩

২। যোগ কৰা।

(ক) ১ + ২ + ৫ = ...

(খ) ৩ + ৪ + ৫ + ৬ = ...

(গ) ৪ + ৬ + ৭ + ০ = ...

(ঘ) ৯ + ৩ + ১ + ০ + ৩ = ...

(ঙ) ১১ + ২ + ১ = ...

(চ) (১১ + ২) + (১+ ৫) = ...

(ছ) (১০ + ৩) + (৩+ ৫) = ...

(জ) (৮ + ৩) + (১১+ ২) = ...

৩। ৰামুৰ ১ ডাল ৰঙা পেঞ্চিল, ২ ডাল কাঠ পেঞ্চিল আৰু ১ ডাল নীলা পেঞ্চিল আছে। তেওঁৰ মুঠতে কেইডাল পেঞ্চিল আছে?

৪। এজন খেতিয়কৰ ২ টা বলদ গৰু ,২ জনী গাই গৰু আৰু ১ টা চেউৰী আছে আছে। খেতিয়কজনৰ মুঠতে কেইটা গৰু আছে?

৫। ফাতিমাই ১ টা আপেল আৰু ২ টা আম খালে। ফাতিমাই মুঠতে কেইটা ফল খালে?

অধ্যায়-৫

দুটা অংকৰে গঠিত সংখ্যাৰ যোগ

আগৰ অধ্যায় -২ আৰু অধ্যায়-৪ ত ক্ৰমে সৰল যোগ আৰু দীৰ্ঘ যোগৰ বিষয়ে শিকি আহিছা। এই অধ্যায়ত দুটা অংকৰে গঠিত সংখ্যাৰ যোগৰ বিষয়ে শিকিবা। তলৰ উদাহৰণ কেইটা লক্ষ্য কৰা।

(ক) $\begin{array}{r} ১৬ \\ +১৫ \\ \hline ৩১ \end{array}$ (খ) $\begin{array}{r} ১৪ \\ +২৭ \\ \hline ৪১ \end{array}$ (গ) $\begin{array}{r} ১৬ \\ +১৪ \\ \hline ৩০ \end{array}$

দুটা অংকৰে গঠিত কোনো এক সংখ্যাৰ লগত দুটা অংকৰে গঠিত আন কোনো সংখ্যা যোগ কৰিব লগা হ'লে এককৰ ঘৰত থকা অংক দুটাৰ যোগফল যদি ১০ বা ১০ তকৈ বেছি হয়, তেন্তে যোগফলত সোঁফালৰ পৰা এককৰ ঘৰত যোগফলৰ একক সংখ্যাটো বহুৱাই বাওঁফালৰ অংকটো দহকৰ ঘৰত থকা যোগফলৰ লগত যোগ হৈ দহকৰ ঘৰত বহে। ওপৰৰ (ক) নং উদাহৰণটো লক্ষ্য কৰিলে দেখিবা যে এককৰ ঘৰত থকা যোগ কৰিবলগীয়া সংখ্যা দুটা হ'ল ৬ আৰু ৫। এই দুটা সংখ্যাৰ যোগফফল ১১। এতিয়া এই ১১ সংখ্যাটিৰ এককৰ ঘৰত থকা ১ অংকটি যোগফলত বহুৱাই বাকী ১ সংখ্যাটি বাওঁপিনে অৰ্থাৎ দহকৰ ঘৰত থকা অংক দুটিৰ লগত যোগ কৰি তলত বহুওৱা হৈছে।

শিক্ষকলৈ টোকা ঃ শিক্ষকে যথেষ্ট উদাহৰণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক দুটা অংক থকা সংখ্যাৰ যোগ বুজাব।

অনুশীলনী

১। যোগ কৰা।

(ক)
```
  ১৩
+ ১৮
----
```

(খ)
```
  ১৭
+ ২১
----
```

(গ)
```
  ৩৬
+ ২৪
----
```

(ঘ)
```
  ২৬
+ ২৪
----
```

(ঙ)
```
  ৩৫
+ ২১
----
```

(চ)
```
  ৩৭
+ ৩৪
----
```

(ছ)
```
  ২৮
+ ২৩
----
```

(জ)
```
  ৩৫
+ ৩৮
----
```

(ঝ)
```
  ৩৭
+ ৩৭
----
```

২। ৰাজেনে যোৱা বছৰেকীয়া পৰীক্ষাত এনেদৰে নম্বৰ পাইছে — অসমীয়াত ২৪, ইংৰাজীত ৩৭, বিজ্ঞানত ৪০। ৰাজেনে তিনিটা বিষয়ত মুঠ কিমান নম্বৰ পালে?

৩। অনুৰাধাৰ ১৩ টা হাঁহ, ১৯ টা কুকুৰা আছে। অনুৰাধাৰ মুঠ কিমান হাঁহ কুকুৰা আছে?

৪। পূজা উপলক্ষে হিমানীৰ দেউতাকে তাইক ১৭ টকা, ককায়েকে ২৫ টকা আৰু আইতাকে ১৬ টকা দিলে। হিমানীয়ে মুঠতে কিমান টকা পালে?

অধ্যায়- ৬

ধাৰ বিয়োগ

অধ্যায় - ৩ ত তোমালোকে সৰল বিয়োগৰ বিষয়ে শিকি আহিছা। এই অধ্যায়ত ধাৰ বিয়োগৰ বিষয়ে ধাৰণা পাবা। সাধাৰণতে দুটা অংকৰে গঠিত হোৱা সংখ্যাৰ পৰা ধাৰ বিয়োগ কৰা হয়। তলৰ উদাহৰণটো লক্ষ্য কৰা।

৩৫	৪৪	৫২
— ১৬	— ১৭	— ১৮
১৯	২৭	৩৪

ওপৰৰ প্ৰথম উদাহৰণটোত দেখুওৱা হৈছে যে ৩৫ ৰ পৰা ১৬ বিয়োগ কৰিব লাগে। কিন্তু ৫ এককৰ পৰা ৬ একক বিয়োগ কৰিব নোৱাৰি। সেয়ে বাওঁপিনে থকা ৩ দহৰ পৰা ১ দহ ধাৰে অনা হ'ল। দহকৰ ঘৰত ৩ - ১ = ২ থাকিল আৰু ১ ৰ ঘৰত ১৫ হ'ল। এতিয়া এককৰ ঘৰত বিয়োগফল ১৫- ৬ = ৯ হ'ল আৰু তিনি দহৰ ঘৰত বিয়োগফল ২-১= ১ হ'ল। তলৰ উদাহৰণবোৰ মন কৰা।

৪৩	৪৫	৬২
— ২৪	— ২৭	— ১৮
১৯	১৮	৪৪

অনুশীলনী

১। বিয়োগ কৰা।

(ক) ৫৪ − ৩৫	(খ) ৪৫ − ১৯	(গ) ৮২ − ৭৬
(ঘ) ২৪ − ১৭	(ঙ) ৬৮ − ৫৯	(চ) ৬৫ − ৫৬
(ছ) ৫০ − ৪৯	(জ) ৯১ − ৪৭	(ঝ) ৬১ − ২৯
(ঞ) ৭০ − ৬৯	(ট) ৮৭ − ৪৮	(ঠ) ৮১ − ৭৯

২। এখন প্ৰেক্ষাগৃহত ১০১ খন আসন আছে। ইয়াৰ ৩৭ খন মহিলাসকলে দখল কৰিলে। এতিয়া কেইখন আসন বাকী থাকিল?

৩। ৰাজুৰ হাতত ২১ টা চকলেট আছিল। তাৰ পৰা ১৪ টা অনিলক দিলে। এতিয়া ৰাজুৰ হাতত কেইটা চকলেট থাকিল।

শিক্ষকলৈ টোকা ঃ শিক্ষকে দৈনন্দিন জীৱনৰ লগত সম্পৰ্ক থকা লেনদেনৰ উদাহৰণ দাঙি ধৰি ধাৰ বিয়োগৰ বিষয়ে বুজাব।

মূল্যায়ন-২

দ্বিতীয় গোট পৰীক্ষা
দ্বিতীয় শ্ৰেণী
বিষয় ঃ গণিত

মুঠ নম্বৰঃ ২৫ **সময়ঃ ১ ঘন্টা**

১। যোগ কৰা। ২×৩=৬

(ক)	(খ)	(গ)
৮	৪	৫
৭	৫	৬
৭	৩	১
২	২	০
১	৩	১

২। একেশাৰীত যোগ কৰা। ২×২=৪

(ক) ৩ + ৪ + ৫ + ৬ = ... (খ) ৪ + ৬ + ৭ + ০ = ...

৩। ৰামুৰ ১ ডাল ৰঙা পেঞ্চিল, ২ ডাল কাঠ পেঞ্চিল আৰু ১ ডাল নীলা পেঞ্চিল আছে। তেওঁৰ মুঠতে ডাল পেঞ্চিল আছে? ২

৪। ফাতিমাই ৩ টা আপেল আৰু ২ টা আম আৰু ২ টা বগৰী খালে। তাই মুঠতে কেইটা ফল খালে? ২

৫। বিয়োগ কৰা। ২×৩=৬

(ক)	(খ)	(গ)
৫৪	৪৫	৮২
− ৩৫	− ১৯	− ৭৬

৫। একেশাৰীত বিয়োগ কৰা। ১×৩=৩

১৬ − ৫ = ... ১৭ − ৪ = ... ১৭ − ২ = ...

৬। এখন থিয়েটাৰ হলত ১২১ খন আসন আছে। ইয়াৰ ৩৯ খন মহিলাসকলে দখল কৰিলে। এতিয়া কেইখন আসন বাকী থাকিল? ২

শিক্ষকলৈ টোকা ঃ ওপৰত দিয়া প্ৰশ্ন কাকতখন চৰম নহয়। ইয়াক অকল এক আৰ্হি হিচাপেহে দেখুওৱা হৈছে। শিক্ষকে নিজৰ মতে প্ৰশ্নকাকত প্ৰস্তুত কৰিব। গোট পৰীক্ষা আৰম্ভ কৰাৰ আগতে প্ৰস্তুতি হিচাপে উক্ত প্ৰশ্ন কাকতখন ছাত্ৰ-ছাত্ৰীসকলক সমাধান কৰিবলৈ দিব পাৰে।

গোট-৩

অধ্যায়- ৭

পূৰণৰ ধাৰণা

ইতিমধ্যে তোমালোকে যোগ আৰু বিয়োগৰ বিষয়ে কিছু কথা জানি আহিছা। এই অধ্যায়ত পূৰণৰ বিষয়ে সাধাৰণ ধাৰণা দিয়া হৈছে। পূৰণ হৈছে যোগৰ এক চুটি আৰু সৰল নিয়ম। গণিতত '×' চিনটোক পূৰণ চিন বুলি কোৱা হয়। তলৰ ছবিকেইটা মন কৰা।





ওপৰৰ প্ৰথম শাৰীত এটা বলধ গৰুৰ ছবি আছে। গৰুটোৰ দুটা শিং আছে। দ্বিতীয় শাৰীটোত চাৰিটা বলধ গৰুৰ ছবি আছে। এটা বলধ গৰুৰ দুটাকৈ শিং থাকিলে চাৰিটা বলধ গৰুৰ শিং হ'ব—

২ + ২ + ২ + ২ = ৮ টা।

এই কথাটোকে আমি চুটিকৈ তলত দিয়া ধৰণে লিখিব পাৰোঁ ঃ

২ × ৪ = ৮ টা।

প্ৰথম হিচাপটোত আমি ২ ক চাৰিবাৰ যোগ কৰিছোঁ। আনহাতে দ্বিতীয় হিচাপটোত আমি ২ ক চাৰিবাৰ পূৰণ কৰিছোঁ। দুয়োটা

হিচাপতে আমি একে ফল পাইছোঁ। ২ ক ৪ বাৰ যোগ কৰিলে ৮ পাওঁ । আকৌ ২ ক ৪ ৰে পূৰণ কৰিলে আমি ৮ পাওঁ।

এতিয়া তলৰ উদাহৰণটো মন কৰা।

ধৰা হ'ল ৰাকেশ, নৰেন, হিতেশ আৰু পৰেশ সহপাঠী। সিহঁতৰ প্ৰতিজনৰ হাতত ৪ টাকৈ মাৰ্বল থাকিলে মুঠ মাৰ্বলৰ সংখ্যা কিমান হ'ব?

এই প্ৰশ্নটোৰ উত্তৰ পাবলৈ হ'লে তলত দিয়া দুই ধৰণে হিচাপ (অংক) কৰিব পাৰো।

৪ + ৪ + ৪ + ৪ = ১৬ টা।

৪ × ৪ = ১৬ টা।

এতিয়া বুজিলা যে এটা সংখ্যাক কেইবাবাৰো যোগ কৰা কাৰ্যই পূৰণ। পূৰণ হৈছে যোগ কৰাৰ সহজ আৰু চুটি উপায়।

পূৰণ অংক কৰোঁতে আমি পূৰণ কৰিবলগীয়া সংখ্যাবোৰ একে শাৰীত পাতি পূৰণ কৰিব পাৰি । যেনে ঃ

২ × ৩ = ৬ টা।

আকৌ এটা সংখ্যাৰ তলত পূৰণ কৰিবলগীয়া সংখ্যাটো পাতিও পূৰণ কৰিব পাৰোঁ। যেনে ঃ

$$\begin{array}{r} ২ \\ \times\ ৩ \\ \hline ৬ \end{array}$$

পূৰণ কৰোঁতে তলৰ শাৰীত বহুওৱা সংখ্যাৰ বাওঁফালে পূৰণ চিন ‘ × ’ বহুৱাব লাগে।

অনুশীলনী

১। একেশাৰীত পূৰণ কৰা।

(ক) ১ × ২ = ... (খ) ২ × ১ = ...

(গ) ২ × ৩ = ... (ঘ) ৩ × ১ = ...

(ঙ) ৪ × ১ = ... (চ) ৪ × ২ = ...

(ছ) ৫ × ২ = ... (জ) ২ × ৪ = ...

(ঝ) ৩ × ৩ = ... (ঞ) ২ × ৬ = ...

(ট) ০ × ১ = ... (ঠ) ৫ × ০ = ...

টোকা ঃ ০ ৰ লগত যিকোনো সংখ্যা পূৰণ কৰিলে বা যিকোনো সংখ্যাৰ লগত ০ পূৰণ কৰিলে পূৰণফল সদায় শূন্য হয়।

২। পূৰণ কৰা।

(ক) ৩ × ১ = ____

(খ) ৪ × ১ = ____

(গ) ৫ × ২ = ____

(ঘ) ২ × ১ = ____

(ঙ) ২ × ২ = ____

(চ) ৭ × ০ = ____

(ছ) ৬ × ১	(জ) ১ × ৬	(ঝ) ৩ × ৩
(ঞ) ৩ × ৪	(ট) ২ × ০	(ঠ) ৭ × ২
(ড) ৮ × ১	(ঢ) ২ × ৮	(ণ) ০ × ৮
(ত) ১ × ৯	(থ) ২ × ৯	(দ) ৯ × ০
(ধ) ৪ × ৫	(ন) ৫ × ৩	(প) ০ × ৪

*শিক্ষকলৈ **টোকা** ঃ পূৰণ যে যোগৰ চুটি নিয়ম আৰু সৰল নিয়ম তাক শিক্ষকে যথেষ্ট উদাহৰণৰ জৰিয়তে বুজাই দিব। এই অধ্যায়টো বুজাওতে দুটা সংখ্যাৰ পূৰণ ফল আমি কেনেদৰে যোগ কৰিও উলিয়াব পাৰি সেয়া বুজোৱাৰ ওপৰত গুৰুত্ব দিব।*

অধ্যায়- ৮

পূৰণৰ সৰু নেওতা

পূৰণ মানে গুণ কৰা। পূৰণৰ সৰু নেওতা পঢ়াৰ নিয়ম হ'ল- একৰ এক গুণ এক, একৰ দুই গুণ দুই, দুইৰ দুই গুণ চাৰি ইত্যাদি।

১	×	১	=	১
১	×	২	=	২
১	×	৩	=	৩
১	×	৪	=	৪
১	×	৫	=	৫
১	×	৬	=	৬
১	×	৭	=	৭
১	×	৮	=	৮
১	×	৯	=	৯
১	×	১০	=	১০

২	×	১	=	২
২	×	২	=	৪
২	×	৩	=	৬
২	×	৪	=	৮
২	×	৫	=	১০
২	×	৬	=	১২
২	×	৭	=	১৪
২	×	৮	=	১৬
২	×	৯	=	১৮
২	×	১০	=	২০

৩	×	১	=	৩
৩	×	২	=	৬
৩	×	৩	=	৯
৩	×	৪	=	১২
৩	×	৫	=	১৫
৩	×	৬	=	১৮
৩	×	৭	=	২১
৩	×	৮	=	২৪
৩	×	৯	=	২৭
৩	×	১০	=	৩০

৪	×	১	=	৪
৪	×	২	=	৮
৪	×	৩	=	১২
৪	×	৪	=	১৬
৪	×	৫	=	২০
৪	×	৬	=	২৪
৪	×	৭	=	২৮
৪	×	৮	=	৩২
৪	×	৯	=	৩৬
৪	×	১০	=	৪০

৫	×	১	=	৫
৫	×	২	=	১০
৫	×	৩	=	১৫
৫	×	৪	=	২০
৫	×	৫	=	২৫
৫	×	৬	=	৩০
৫	×	৭	=	৩৫
৫	×	৮	=	৪০
৫	×	৯	=	৪৫
৫	×	১০	=	৫০

৬	×	১	=	৬
৬	×	২	=	১২
৬	×	৩	=	১৮
৬	×	৪	=	২৪
৬	×	৫	=	৩০
৬	×	৬	=	৩৬
৬	×	৭	=	৪২
৬	×	৮	=	৪৮
৬	×	৯	=	৫৪
৬	×	১০	=	৬০

৭	×	১	=	৭
৭	×	২	=	১৪
৭	×	৩	=	২১
৭	×	৪	=	২৮
৭	×	৫	=	৩৫
৭	×	৬	=	৪২
৭	×	৭	=	৪৯
৭	×	৮	=	৫৬
৭	×	৯	=	৬৩
৭	×	১০	=	৭০

৮	×	১	=	৮
৮	×	২	=	১৬
৮	×	৩	=	২৪
৮	×	৪	=	৩২
৮	×	৫	=	৪০
৮	×	৬	=	৪৮
৮	×	৭	=	৫৬
৮	×	৮	=	৬৪
৮	×	৯	=	৭২
৮	×	১০	=	৮০

৯	×	১	=	৯
৯	×	২	=	১৮
৯	×	৩	=	২৭
৯	×	৪	=	৩৬
৯	×	৫	=	৪৫
৯	×	৬	=	৫৪
৯	×	৭	=	৬৩
৯	×	৮	=	৭২
৯	×	৯	=	৮১
৯	×	১০	=	৯০

১০	×	১	=	১০
১০	×	২	=	২০
১০	×	৩	=	৩০
১০	×	৪	=	৪০
১০	×	৫	=	৫০
১০	×	৬	=	৬০
১০	×	৭	=	৭০
১০	×	৮	=	৮০
১০	×	৯	=	৯০
১০	×	১০	=	১০০

শিক্ষকলৈ টোকা ঃ ছাত্ৰ-ছাত্ৰীসকলে পূৰণৰ নেওতাবোৰ শুদ্ধকৈ মুখস্থ কৰাৰ ওপৰত গুৰুত্ব দিব।

অনুশীলনী

১। খালী ঠাই পূৰণ কৰা।

(ক) ১ × ১ = ...
১ × ২ = ...
১ × ৩ = ...
১ × ৪ = ...
১ × ৫ = ...
১ × ৬ = ...
১ × ৭ = ...
১ × ৮ = ...
১ × ৯ = ...
১ × ১০ = ...

(খ) ২ × ১ = ...
২ × ২ = ...
২ × ৩ = ...
২ × ৪ = ...
২ × ৫ = ...
২ × ৬ = ...
২ × ৭ = ...
২ × ৮ = ...
২ × ৯ = ...
২ × ১০ = ...

(গ) ৩ × ১ = ...
৩ × ২ = ...
৩ × ৩ = ...
৩ × ৪ = ...
৩ × ৫ = ...
৩ × ৬ = ...
৩ × ৭ = ...
৩ × ৮ = ...
৩ × ৯ = ...
৩ × ১০ = ...

(ঘ) ৪ × ১ = ...
৪ × ২ = ...
৪ × ৩ = ...
৪ × ৪ = ...
৪ × ৫ = ...
৪ × ৬ = ...
৪ × ৭ = ...
৪ × ৮ = ...
৪ × ৯ = ...
৪ × ১০ = ...

(ঙ)

৫ × ১ = ...
৫ × ২ = ...
৫ × ৩ = ...
৫ × ৪ = ...
৫ × ৫ = ...
৫ × ৬ = ...
৫ × ৭ = ...
৫ × ৮ = ...
৫ × ৯ = ...
৫ × ১০ = ...

(চ)

৬ × ১ = ...
৬ × ২ = ...
৬ × ৩ = ...
৬ × ৪ = ...
৬ × ৫ = ...
৬ × ৬ = ...
৬ × ৭ = ...
৬ × ৮ = ...
৬ × ৯ = ...
৬ × ১০ = ...

(ছ)

৭ × ১ = ...
৭ × ২ = ...
৭ × ৩ = ...
৭ × ৪ = ...
৭ × ৫ = ...
৭ × ৬ = ...
৭ × ৭ = ...
৭ × ৮ = ...
৭ × ৯ = ...
৭ × ১০ = ...

(জ)

৮ × ১ = ...
৮ × ২ = ...
৮ × ৩ = ...
৮ × ৪ = ...
৮ × ৫ = ...
৮ × ৬ = ...
৮ × ৭ = ...
৮ × ৮ = ...
৮ × ৯ = ...
৮ × ১০ = ...

(ঝ)

৯ × ১ = ...
৯ × ২ = ...
৯ × ৩ = ...
৯ × ৪ = ...
৯ × ৫ = ...
৯ × ৬ = ...
৯ × ৭ = ...
৯ × ৮ = ...
৯ × ৯ = ...
৯ × ১০ = ...

(ঞ)

১০ × ১ = ...
১০ × ২ = ...
১০ × ৩ = ...
১০ × ৪ = ...
১০ × ৫ = ...
১০ × ৬ = ...
১০ × ৭ = ...
১০ × ৮ = ...
১০ × ৯ = ...
১০ × ১০ = ...

অধ্যায়-৯
হৰণৰ ধাৰণা

আগৰ অধ্যায়বোৰত তোমালোকে যোগ, বিয়োগ আৰু পূৰণ অংকৰ বিষয়ে সাধাৰণ ধাৰণা পাই আহিছা। এই অধ্যায়ত তোমালোকে হৰণৰ বিষয়ে ধাৰণা পাবা। হৰণ মানে ভাগ কৰা। গণিতত '÷' চিনক হৰণ চিন বুলি কোৱা হয়। তলৰ উদাহৰণটো মন কৰা।

অনিমা দ্বিতীয় শ্ৰেণীৰ ছাত্ৰী। তাইৰ হাতত ১২ টা মাধুৰী আম আছে। মাধুৰী আমকেইটা তাইৰ তিনিজনী বান্ধৱী ক্ৰমে ৰীতা, নীতা আৰু সীতাক সমানে সমানে ভগাই দিলে। অৰ্থাৎ

ৰীতাক দিলে ৪ টা। (থাকিল ১২ - ৪ = ৮ টা।)

নীতাক দিলে ৪ টা। (থাকিল ৮ - ৪ = ৪ টা।)

সীতাক দিলে ৪ টা। (থাকিল ৪ - ৪ = ০ টা।)

এই কথাটোক আমি তলত দিয়া ধৰণে প্ৰকাশ কৰিব পাৰোঁ ঃ

১২ ÷ ৩ = ৪ টা।

আন কথাত ক'বলৈ গ'লে, কোনো সংখ্যাক যিকেইটা ভাগত ভাগ কৰিব বিচৰা হয়, সেই ভাগ কৰিব বিচৰা সংখ্যাৰ দ্বাৰা হৰণ কৰিব লাগে। ওপৰৰ উদাহৰণটোত ১২ টা মাধুৰী আমক সমানে ৩ টা ভাগত ভাগ কৰিব বিচৰা হৈছে। সেইবাবে ১২ ক ৩ ৰে হৰণ কৰা হৈছে।

মনত ৰখা যে হৰণ কৰা মানে কোনো সংখ্যাক কোনো নিৰ্দ্দিষ্ট সংখ্যাৰে বাবে বাৰে বিয়োগ কৰাক বুজায়। উদাহৰণস্বৰূপে তলত ৮ টা আপেলৰ ছবি আছে। এই আপেল ৮ টাক ২ ৰে কিমানবাৰ বিয়োগ বা ভাগ কৰিব পাৰি চোৱা।



১ বাৰ ২ বাৰ ৩ বাৰ ৪ বাৰ

অৰ্থাৎ

৮ ÷ ২ = ৪

৮ ক ২ ৰে হৰণ কৰোঁতে আমি চাব লাগে ৮ পাবলৈ ২ ক কিমানবাৰ পূৰণ কৰিব লাগে।

অনুশীলনী

১। তলত দিয়া ১০ টা আমৰ ছবিক ২ টাকৈ কেইবাৰ বিয়োগ বা ভাগ কৰিব পাৰি কোৱা।



২। তলত দিয়া ৯ টা চিলাক ৩ টাকৈ কেইবাৰ বিয়োগ বা ভাগ কৰিব পাৰি কোৱা।

৩। তলত দিয়া ১০ টা ঘড়ীক ৫ টাকৈ কেইবাৰ বিয়োগ বা ভাগ কৰিব পাৰি কোৱা।

৪। তলত দিয়া ১২ টা ওঁম চিহ্নক ৪ টাকৈ কেইবাৰ বিয়োগ বা ভাগ কৰিব পাৰি কোৱা।

৫। হৰণ কৰা। এটা তোমাৰ বাবে কৰি দিয়া হৈছে।

(ক) ৪ ÷ ২ = [২]　　(খ) ৬ ÷ ৩ = [ ]

(গ) ৮ ÷ ২ = [ ]　　(ঘ) ৬ ÷ ২ = [ ]

(ঙ) ৯ ÷ ৩ = [ ]　　(চ) ১০ ÷ ২ = [ ]

(ছ) ১২ ÷ ৬ = [ ]　　(জ) ১৪ ÷ ২ = [ ]

(ঝ) ১২ ÷ ৪ = [ ]　　(ঞ) ১৬ ÷ ২ = [ ]

শিক্ষকলৈ টোকা ঃ হৰণ অংক কৰোঁতে পূৰণৰ নেওতাৰ প্ৰয়োজন হয়। গতিকে শিক্ষকে হৰণ অংক বুজোৱাৰ আগতে ছাত্ৰ-ছাত্ৰীসকলক পূৰণৰ নেওতা মুখস্থ কৰাৰ ওপৰত গুৰুত্ব দিব।

মূল্যায়ন-৩

তৃতীয় গোট পৰীক্ষা
দ্বিতীয় শ্ৰেণী
বিষয় ঃ গণিত

মুঠ নম্বৰঃ ২৫ **সময়ঃ ১ ঘন্টা**

১। পূৰণ কৰা। ২×৩=৬

(ক) ৩
× ২
______

(খ) ৪
× ১
______

(গ) ৫
× ২
______

২। একেশাৰীত পূৰণ কৰা। ২×২=৪

(ক) ৫ × ৩ = ... (খ) ২ × ৪ = ...

৫। ৭ ৰ ঘৰৰ নেওতা মুখস্থ লিখা। ৫

৬। তলৰ ১০ টা আমৰ ছবিক ২ টাকৈ কেইবাৰ বিয়োগ বা ভাগ কৰিব পাৰি? ৫



৫। হৰণ কৰা। ১×৫=৫

(ক) ৮ ÷ ২ = ☐ (খ) ৬ ÷ ২ = ☐

(গ) ৯ ÷ ৩ = ☐ (ঘ) ১০ ÷ ২ = ☐

(ঘ) ১২ ÷ ২ = ☐

শিক্ষকলৈ টোকা ঃ ওপৰত দিয়া প্ৰশ্ন কাকতখন চৰম নহয়। ইয়াক অকল এক আৰ্হি হিচাপেহে দেখুওৱা হৈছে। শিক্ষকে নিজৰ মতে প্ৰশ্নকাকত প্ৰস্তুত কৰিব। গোট পৰীক্ষা আৰম্ভ কৰাৰ আগতে প্ৰস্তুতি হিচাপে উক্ত প্ৰশ্ন কাকতখন শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক সমাধান কৰিবলৈ দিব পাৰে।

গোট-৪

অধ্যায়- ১০

ভাগ বা অংশৰ ধাৰণা

তলৰ চিত্ৰকেইটা লক্ষ্য কৰা।

(ক) (খ) (গ) (ঘ)

ওপৰৰ চিত্ৰকেইটা লক্ষ্য কৰিলে দেখা যায় যে ইয়াৰ (ক) নং চিত্ৰটোৰ দুই ভাগৰ এক ভাগ ছাঁৰে আবৃত। সেইদৰে (খ) নং চিত্ৰৰ তিনি ভাগৰ দুই ভাগ, (গ) নং চিত্ৰৰ পাঁচ ভাগৰ তিনি ভাগ আৰু (ঘ) নং চিত্ৰৰ আঠ ভাগৰ তিনি ভাগ ছাঁৰে আবৃত।

এনেদৰে কোনো এটি বস্তুৰ —

২ ভাগৰ ১ ভাগক লিখা হয় $\frac{১}{২}$

৩ ভাগৰ ১ ভাগক লিখা হয় $\frac{১}{৩}$

৪ ভাগৰ ১ ভাগক লিখা হয় $\frac{১}{৪}$

৫ ভাগৰ ১ ভাগক লিখা হয় $\frac{১}{৫}$

৬ ভাগৰ ১ ভাগক লিখা হয় $\frac{১}{৬}$

৭ ভাগৰ ১ ভাগক লিখা হয় $\frac{১}{৭}$

৮ ভাগৰ ২ ভাগক লিখা হয় $\frac{২}{৮}$

৩ ভাগৰ ২ ভাগক লিখা হয় $\frac{২}{৩}$

৫ ভাগৰ ৩ ভাগক লিখা হয় $\frac{৩}{৫}$

১০ ভাগৰ ২ ভাগক লিখা হয় $\frac{২}{১০}$

১০ ভাগৰ ৫ ভাগক লিখা হয় $\frac{৫}{১০}$ ইত্যাদি।

অনুশীলনী

১। তলৰ চিত্ৰকেইটাৰ কিমান অংশ ছাঁৰে আবৃত ? তলত দিয়া খালী ঘৰত লিখা।













২। তলৰ প্ৰতিটো চিত্ৰৰ $\frac{১}{২}$ অংশ তোমাৰ ভাললগা ৰঙেৰে বোলোৱা।



২। তলৰ প্ৰতিটো চিত্ৰৰ $\frac{৩}{৪}$ অংশ ৰঙা ৰঙেৰে বোলোৱা।



২। তুমি এটি আপেল তোমাৰ চাৰিজন বন্ধুৰ সৈতে সমানে ভগাই খালা। তুমি তোমাৰ অংশক কেনেদৰে লিখিবা?

৩। তোমাৰ দেউতাই ৰাতিপুৱা তোমাক ১০ টকা দিলে। তাৰ পৰা তুমি ১ টকা তোমাৰ ভন্টিক দিলা। তুমি এই অংকটো কেনেদৰে লিখিবা?

অধ্যায়- ১১
জ্যামিতিক ধাৰণা

প্ৰথম শ্ৰেণীত বস্তুৰ আকাৰ বা গঠনৰ বিষয়ে প্ৰাথমিক ধাৰণা পাই আহিছা। এই অধ্যায়ত তোমালোকে কেইটিমান জ্যামিতিক আকৃতিৰ প্ৰাথমিক ধাৰণা পাবা। জ্যামিতি হ'ল গণিতৰ এক ভাগ। জ্যামিতিত বস্তুৰ আকৃতিৰ বিষয়ে আলোচনা কৰা হয়। জ্যামিতিত ব্যৱহাৰ হোৱা বস্তুৰ বিভিন্ন আকৃতিৰ ভিতৰত কেইটিমান আকৃতি হ'ল ঃ আয়ত, বৰ্গ, ত্ৰিভূজ, বৃত্ত, ঘনক, শংকু, বৰ্তুল ইত্যাদি। তলৰ চিত্ৰবোৰ চোৱা।



আয়ত **বৰ্গ** **গোলক** **ত্ৰিভূজ**



শংকু **বৰ্তুল বা বেলন** **আয়তীয় ঘনক**

ওপৰত দেখুৱা প্ৰতিটো জ্যামিতিক আকৃতিৰ কিছুমান বিশেষ বৈশিষ্ট্য আছে। যেনে ঃ

১। আয়ত, ত্ৰিভূজ, বৰ্গ আৰু বৃত্তক সামতলিক আকৃতি বুলি কোৱা হয়।

২। আয়ত আৰু বৰ্গ ক্ষেত্ৰৰ চাৰিটাকৈ বাহু থাকে।

৩। ত্ৰিভূজৰ তিনিটা বাহু আৰু তিনিটা চুক বা কোণ থাকে।

৪। এটা শংকুৰ ২ খন পিঠি আৰু ১ টা কোণ বা শীৰ্ষ বিন্দু থাকে। উদাহৰণ— মূলা, গাজৰ, আইচক্ৰীম ইত্যাদি।

৫। এটা বৰ্তুলৰ ৩ খন তল বা পিঠি থাকে কিন্তু কোনো চুক বা কোণ নাথাকে। উদাহৰণ ঃ বাঁহৰ চুঙা, পেঞ্চিল, পাইপ ইত্যাদি।

৬। এটা গোলকৰ অকল এখন পিঠি বা তল থাকে। ইয়াৰ কোনো দাঁতি, কোণ বা শীৰ্ষবিন্দু নাথাকে। উদাহৰণ ঃ ফুটবল, ভলীবল, ক্ৰিকেট বল ইত্যাদি।

৭। এটা আয়তঘন (বা আয়তীয় ঘনক)ৰ দীৰ্ঘ, প্ৰস্থ আৰু উচ্চতা থাকে। আয়তঘনৰ দাঁতিবোৰ সমান হ'লে **ঘনক** বোলে। উদাহৰণ ঃ বাকচ, ইটা, দিয়াচলাইৰ বাহ, লুডুৰ গুটি ইত্যাদি।

৮। এটা আয়তঘনকৰ ৬ খন পিঠি, ১২ টা দাঁতি, আৰু ৮ টা শীৰ্ষবিন্দু থাকে।

৯। আয়তীয় ঘনকৰ তলৰ দৰে সমান তল বা পিঠিক **সমতল** আৰু গোলকৰ তলখনৰ দৰে তলক **বেঁকা** বা **বক্ৰতল** বোলে।

অনুশীলনী

১। তলত দিয়া চিত্ৰবোৰৰ নাম কোৱা।



২। এটি বৃত্তৰ চিত্ৰ আঁকা।

৩। বৰ্তুল আকৃতিৰ তিনিটা বস্তুৰ নাম লিখা।

৪। শংকু আকৃতিৰ তিনিটা বস্তুৰ নাম লিখা।

৫। গোলক আকৃতিৰ দুটা বস্তুৰ নাম লিখা।

৬। খালী ঠাই পূৰণ কৰা।

(ক) এটা গোলকৰ পিঠি বা তল .... খন।

(খ) এটা শংকুৰ শীৰ্ষ বিন্দু .... টা।

(গ) শংকুৰ চুক .... টা।

(ঘ) এটা আয়তীয় ঘনকৰ পিঠি .... খন।

(ঙ) এটা ঘনকৰ দাঁতি .... খন।

(চ) বৰ্তুল এটাৰ পিঠি .... খন।

৬। উত্তৰ দিয়া।

(ক) এটা গোলকৰ দাঁতি আৰু কোণ বা শীৰ্ষ বিন্দু আছে নে?

(খ) বেঁকা বা বক্ৰ তল কাক বোলে?

(গ) দিয়াচলাইৰ বাহ, বাকচ, ইটা আদিৰ দৰে বস্তুবোৰ কি আকৃতিৰ হয়?

অধ্যায়- ১২
টকা আৰু পইচাৰ হিচাপ

১৯৫৭ চনৰ ১ এপ্ৰিলৰ পৰা আমাৰ দেশত দশমিক মুদ্ৰাৰ প্ৰচলন কৰা হৈছে। দশমিক মুদ্ৰাৰ নিয়ম অনুসৰি টকাক এশটা ভাগত ভাগ কৰা হৈছে আৰু এশ ভাগৰ প্ৰতিটো ভাগকে 'পইচা' বুলি কোৱা হয়। অৰ্থাৎ ১ টকা মানে ১০০ পইচা। ১ পইচা মানে ১ টকাৰ ১০০ ভাগৰ ১ ভাগ। টকা আৰু পইচাৰ মাজত পাৰ্থক্য বুজাবলৈ দুয়োৰে মাজত দশমিক (.) চিন দিব লাগে। দশমিক বিন্দু দহকৰ ঘৰৰ সংখ্যাৰ আগত বহে। পইচা সাধাৰণতে তলত দেখুওৱা ধৰণে পঢ়া আৰু লিখা হয়।

১ পইচা	=	০.০১ টকা
২ পইচা	=	০.০২ টকা
৩ পইচা	=	০.০৩ টকা
৪ পইচা	=	০.০৪ টকা
৫ পইচা	=	০.০৫ টকা
৬ পইচা	=	০.০৬ টকা
৭ পইচা	=	০.০৭ টকা
৮ পইচা	=	০.০৮ টকা
৯ পইচা	=	০.০৯ টকা
১০ পইচা	=	০.১০ টকা

তলত কেইটামান ভাৰতীয় মুদ্ৰা আৰু টকাৰ ছবি দিয়া হ'ল।

টকা-পইচাৰ বিষয়ে লিখোতে তলত দিয়া নিয়মবোৰ মানি চলা হয়—

১। টকা-পইচাৰ পাৰ্থক্য বুজাবলৈ দুয়োৰে মাজত (.) চিন দিয়া হয়।

২। পইচাৰ পৰা টকালৈ নিবলৈ হ'লে সোঁফালৰ পৰা দুই ঘৰ এৰি দশমিক (.) চিন বহুৱাব লাগে। যেনে ঃ ৩০০ পইচা = ৩.০০ টকা।

৩। টকাৰ পৰা পইচালৈ নিবলৈ হ'লে দশমিক চিন উঠাই দি পইচা লিখিব লাগে। যেনে ঃ ৩.০০ টকা = ৩০০ পইচা।

৪। দশমিক চিন ব্যৱহাৰ কৰোঁতে এককৰ ঘৰৰ অংকৰ বাওঁফালে আন অংক নাথাকিলে এটি ০ বহুৱাব লাগে। যেনেঃ ৫ পইচা .০৫ টকা।

৫। দশমিকৰ বাওঁফালৰ অংকখিনি টকা আৰু সোঁফালৰখিনিক পইচা বুলি পঢ়িব লাগে। যেনে ঃ ৭.৩০ টকা = ৭ টকা ৩০ পইচা।

অনুশীলনী

১। ভাৰতত প্ৰচলিত মুদ্ৰাক কি মুদ্ৰা বুলি কোৱা হয়?

২। ১ টকাত কিমান পইচা?

৩। ১০০ পইচাত কিমান টকা?

৪। তলত দিয়া পইচাবোৰক টকাত প্ৰকাশ কৰা।

১ পইচা, ৩ পইচা, ৫ পইচা, ৬ পইচা, ৭ পইচা, ১০ পইচা, ১৫ পইচা, ২০ পইচা, ৩০ পইচা, ৪৫ পইচা, ৫০ পইচা, ৬০ পইচা, ৭৫ পইচা, ৮০ পইচা, ৯০ পইচা, ১০০ পইচা।

৫। তলত দিয়া টকাবোৰক পইচাত প্ৰকাশ কৰা।

১ টকা, ৩ টকা, ৫ টকা, ১০ টকা, ২০ টকা, ৫০ টকা, ৭৫ টকা।

০ ০ ০

মূল্যায়ন-৪

চতুৰ্থ গোট পৰীক্ষা

দ্বিতীয় শ্ৰেণী

বিষয়ঃ গণিত

মুঠ নম্বৰঃ ২৫ **সময়ঃ ১ ঘন্টা**

১। তলৰ চিত্ৰকেইটাৰ কিমান অংশ ছাঁৰে আবৃত? ১×৫=৫

(ক) (খ) (গ) (ঘ) (ঙ)



২। তলৰ প্ৰতিটো চিত্ৰৰ ১/২ অংশ তোমাৰ ভাললগা ৰঙেৰে বোলোৱা। ১×৫=৫



২। এটি আপেল তোমাৰ চাৰিজন বন্ধুৰ লগত সমানে ভগাই খালা। তুমি তোমাৰ অংশক কেনেদৰে লিখিবা? ২

৫। গোলক আকৃতিৰ তিনিটা বস্তুৰ নাম লিখা। ১×৩=৩

৬। খালী ঠাই পূৰণ কৰা। ১×৩=৩

(ক) এটা গোলকৰ পিঠি বা তল .... খন।

(খ) এটা শংকুৰ শীৰ্ষ বিন্দু .... টা।

(গ) শংকুৰ চুক .... টা।

(ঘ) এটা আয়তীয় ঘনকৰ পিঠি .... খন।

(ঙ) এটা ঘনকৰ দাঁতি .... খন।

৭। তলত দিয়া পইচাক টকাত প্ৰকাশ কৰা। ১×২=২

৭ পইচা, ১০ পইচা।

৮। তলত দিয়া টকাবোৰক পইচাত প্ৰকাশ কৰা। ১×২=২

৩ টকা, ৫ টকা, ১০ টকা,

শিক্ষকলৈ টোকা ঃ ওপৰত দিয়া প্ৰশ্ন কাকতখন চৰম নহয়। ইয়াক অকল এক আৰ্হি হিচাপেহে দেখুওৱা হৈছে। শিক্ষকে নিজৰ মতে প্ৰশ্নকাকত প্ৰস্তুত কৰিব। গোট পৰীক্ষা আৰম্ভ কৰাৰ আগতে প্ৰস্তুতি হিচাপে উক্ত প্ৰশ্নকাকতখন ছাত্ৰ-ছাত্ৰীসকলক সমাধান কৰিবলৈ দিব পাৰে।